নৱজ্যোতি মহাবিদ্যালয়
কলগাছিয়া

অসমীয়া বিভাগৰ বাৰ্ষিক আলোচনী

# প্ৰজ্ঞানসেতু

প্ৰথম বৰ্ষ, প্ৰথম প্ৰকাশ, ২০২৩



সম্পাদিকা- মেঘালী মৰাং
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

# সম্পাদনা সমিতি

**উপদেষ্টা:**

ড০ ছাহজাহান আলী আহমেদ, অধ্যক্ষ, নৰজ্যোতি মহাবিদ্যালয়, কলগাছিয়া, ছৈয়দা হামিদা খাতুন, মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

**তত্বাৱধায়ক:**

ড০ নিতু চহৰীয়া, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

**সহ: তত্বাৱধায়ক:**

নয়নমণি দেৱী , সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
ড০ মালবিকা বাগলাৰী , সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

**সম্পাদিকা:**

মেঘালী মৰাং, সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

**সদস্য - সদস্যা : ( ছাত্ৰ-ছাত্ৰী)**

মোজিম আলী
পিয়াৰ মোশাৰফ শিৰাজী
আঞ্জুৱাৰা খাতুন
আৰিফা খাতুন
চুৰুত হাছান জাহাংগীৰ
ছানিডুল ইছলাম
মঞ্জুৱাৰা খাতুন
জেছমিনা য়াছমিন
মাছুমা আখতাৰ

ॐ

# শুভেচ্ছা বাণী




নৰজ্যোতি মহাবিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰথম বৰ্ষৰ (ইং ২০২৩চন) প্ৰথম সংখ্যা "প্ৰজ্ঞানসেতু"শীৰ্ষক আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱা বুলি জানি মই অতি আনন্দিত হৈছোঁ। অসমখন বিভিন্ন জাতি জনগোষ্ঠীৰ মিলনভূমি আৰু প্ৰত্যেক জনগোষ্ঠীৰে নিজা নিজা সংস্কৃতি বিদ্যমান। অসমীয়া সমাজৰ বিচিত্ৰ সংস্কৃতিৰ এক সুন্দৰ ছবি প্ৰতিফলিত কৰাবলৈ লোৱা অসমীয়া বিভাগৰ এই পদক্ষেপ অতি প্ৰসংশনীয় । মোৰ অলপো সন্দেহ নাই যে, উক্ত আলোচনীখনত ছাত্ৰ - ছাত্ৰীৰ সৃষ্টিশীল মনৰ উন্মেষ ঘটিছে লগতে ছাত্ৰ-ছাত্ৰী সকলে অসমীয়া সংস্কৃতি আৰু সমাজ জীৱনৰ বিভিন্ন দিশ সম্পৰ্কে জ্ঞান আহৰণ কৰিবলৈ সক্ষম হৈছে।নিজ শ্ৰমদানেৰে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক -শিক্ষয়িত্ৰীসকলে প্ৰস্তুত কৰি উলিওৱা এই আলোচনীখন সঁচাকৈয়ে অনুকৰণীয়।'প্ৰজ্ঞানসেতু 'ৰ জ্ঞানৰ পোহৰে সকলোকে যাতে উজ্বলাই তোলে তাৰে আশা কৰিছোঁ। পৰিশেষত ভৱিষ্যতেও এনে আলোচনী প্ৰকাশিত হওক এই হেঁপাহেৰে আটাইলৈ মোৰ আন্তৰিক শুভেচ্ছা যাঁচিলো।

ড০ ছাহজাহান আলী আহমেদ
অধ্যক্ষ
নৰজ্যোতি মহাবিদ্যালয়,
কলগাছিয়া

# সম্পাদকীয় একলম



**সংস্কৃতি** : (ইংৰাজী: culture) শব্দৰ অৰ্থ হ'ল, মানৱ সমাজৰ জ্ঞান-বিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, নৈতিকতা, উৎসৱ অনুষ্ঠান, আইন-কানুন, শিল্প, কলা আৰু বৌদ্ধিক উৎকৰ্ষ সাধনৰ আন দিশবোৰ সামৰা সামগ্ৰিক ৰূপেই সংস্কৃতি। ই মানৱ সমাজৰ এক অবিচ্ছেদ্য অংগ । জীৱনৰ বিভিন্ন কৃতিয়েই সংস্কৃতি। 'সংস্কৃতি' পদটো সংস্কাৰৰ লগতে বিশেষভাৱে জড়িত । যাৰ সংস্কাৰ হৈছে সিয়ে সংস্কৃতি। মানুহে সমাজ পাতি বাস কৰিবলৈ লোৱাৰে পৰা দৈনন্দিন জীৱনত নানা কাৰ্য নিয়মিতভাবে কৰিবলৈ লয় আৰু ইয়ে পৰম্পৰাত পৰিণত হয়। গতিকে সংস্কৃতি প্ৰাকৃতিক নহয়, ই মানৱ সৃষ্ট । মানুহৰ জীৱন ধাৰণৰ কৌশল সলনি হোৱাৰ লগে লগে সংস্কৃতিয়ে নতুন ৰূপ পৰিগ্ৰহ কৰে । সেয়ে ই পৰিৱৰ্তনশীল । নদীৰ সোঁতৰ দৰে সংস্কৃতিৰ ৰূপ সময়ৰ লগে লগে সলনি হৈ থাকে। অসম এখন বৈচিত্ৰ পূৰ্ণ বিভিন্ন সংস্কৃতিৰ মিলনভূমি। এই মনোমোহা ৰাজ্যখনৰ মানুহবোৰ বিশেষকৈ আৰ্য্য, মংগোলীয়,অষ্ট্ৰিক আৰু ব্ৰহ্ম দেশীয় থুলৰ লোক। সকলো জাতি- উপজাতি সন্মিলিত হৈ গঢ় দিছে বৃহত্তৰ অসমীয়া সংস্কৃতিৰ। অসমৰ খিলঞ্জীয়া লোকসকলক অসমীয়া বুলি কোৱা হয় লগতে অসমৰ ৰাজ্যিক ভাষাও হৈছে অসমীয়া। অসমত বসবাস কৰা জাতি-জনগোষ্ঠীসমূহ আৰু তেওঁলোকৰ প্ৰত্যেকৰে সংস্কৃতি, কলা কৃষ্টি, সাজপাৰ তথা সমাজ ব্যৱস্থাৰ এক সুকীয়া পৰিচয় আছে। '**প্ৰজ্ঞান সেতু** 'বাৰ্ষিক আলোচনীখনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলে অসমীয়া সমাজ সংস্কৃতিৰ বিভিন্ন দিশ সম্পৰ্কে জ্ঞান আৰু আভাস লাভ কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে।এই আলোচনীখনে ছাত্ৰ- ছাত্ৰীসকলৰমাজত পৰম্পৰাগত সংস্কৃতিৰ ৰক্ষণাবেক্ষণ প্ৰচাৰ আৰু স্বকীয়তা বজাই ৰখাৰ মানসিকতা বিকাশ কৰিবলৈ সক্ষম হ'ব।সেই উদ্দেশ্যে আগত ৰাখিয়েই অসমীয়া বিভাগে সংস্কৃতি বিষয়ক আলোচনী"প্ৰজ্ঞান সেতু "প্ৰকাশ কৰাৰ প্ৰয়াস কৰিছোঁ।

**সম্পাদিকা**
**মেঘালী মৰাং**
**সহকাৰী অধ্যাপিকা**
**অসমীয়া বিভাগ**

# অসমীয়া বিভাগৰ অধ্যাপক- অধ্যাপিকা সকল



**ছৈয়দা হামিদা খাতুন**
**মুৰব্বী অধ্যাপিকা, এম.এ**



**ড০ নিতু চহৰীয়া**
**সহকাৰী অধ্যাপিকা , এম.এ (ডবল),**
**প্ৰবীন, বি.এড, পি.এইচ ডি**



**নয়নমণি দেৱী**
**সহকাৰী অধ্যাপিকা**
**এম.এ (ডবল), এম.ফিল**



**ড০ মালবিকা বাগলাৰী**
**সহকাৰী অধ্যাপিকা**
**এম.এ , প্ৰবীন, পি.এইচ.ডি**



মেঘালী মৰাং
সহকাৰী অধ্যাপিকা
এম.এ, বি.এড

# সূচীপত্ৰ


❖ ডিমাছা জনগোষ্ঠী সকলৰ পৰম্পৰাগত উৎসৱ এটি পৰিচয়মূলক আলোচনা - ছৈয়দা হামিদা খাতুন, মুৰব্বী অধ্যাপিকা

❖ ৰাভা সকলৰ বসন্তকালীন উৎসৱ - হাছি ( মাৰাংগা) আৰু ৰোন্তাক বা মাম্বেমাকায় - ড০ নিতু চহৰীয়া, সহকাৰী অধ্যাপিকা

❖ তিৱা জনগোষ্ঠীৰ বৰত উৎসৱ: পৰম্পৰা আৰু পৰিৱৰ্তন: এক আলোকপাত - নয়নমণি দেৱী, সহকাৰী অধ্যাপিকা

❖ বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত উৎসৱ: এক পৰ্যালোচনা - ড০ মালবিকা বাগলাৰী, সহকাৰী অধ্যাপিকা

❖ মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত উৎসৱ - অনুষ্ঠান: এক আলোচনা- মেঘালী মৰাং, সহকাৰী অধ্যাপিকা

❖ হাজং সকলৰ " লেৱাটানা" নৃত্য এক আলোচনা- পিয়াৰ মোশাৰফ শিৰাজী, স্নাতক পঞ্চম ষান্মাসিক

❖ চাহ জনগোষ্ঠীৰ " কৰম পূজা" এটি আলোচনা - মোজিম আলী, স্নাতক পঞ্চম ষান্মাসিক

❖ মৰাণ সকলৰ ব'হাগ বিহু এটি পৰিচয়মূলক আলোচনা - জেছমিনা য়াছমিন, স্নাতক পঞ্চম ষান্মাসিক

❖ কাৰ্বি জনগোষ্ঠীৰ " চমাংকান" এক পৰ্যালোচনা - ছানিডুল ইছলাম, স্নাতক পঞ্চম ষান্মাসিক

❖ সোণোৱাল কছাৰী সকলৰ " বহুৱা" নৃত্য এটি আলোচনা - মেহনুৰ পাৰবিন, স্নাতক পঞ্চম ষান্মাসিক


## ডিমাছা জনগোষ্ঠী সকলৰ পৰম্পৰাগত উৎসৱ এটি পৰিচয়মূলক আলোচনা


**ছৈয়দা হামিদা খাতুন**
**মুৰব্বী অধ্যাপিকা**




ডিমাছা জনগোষ্ঠী (ইংৰাজী: Dimasa Tribe) হৈছে অসমৰ অন্যতম প্ৰাচীন চীনা তিব্বতীয় জনগোষ্ঠী। তেওঁলোকে ডিমা হাছাও জিলাত বাস কৰে। ডিমা হাছাওৰ উপৰিও কাছাৰ জিলা, কাৰ্বি আংলঙৰ সমতল অঞ্চল, নগাঁও, নাগালেণ্ডৰ ডিমাপুৰ আৰু ধনশিৰি অঞ্চলত বাস কৰি আছে। অতীতত ডিমাছাসকলে ডিমাপুৰত ৰাজধানী পাতি বাস কৰিছিল। ডিমাছা শব্দৰ অৰ্থ হ'ল: ডি =পানী, মা=বৃহৎ, ছা= সন্তান, অৰ্থাৎ বৰনৈৰ সন্তান। ডিমাছাসকলে গাঁও পাতি বাস কৰে। কৃষিজীৱী হোৱা বাবে সাধাৰণতে তেওঁলোকে নৈ বা নিজৰাৰ পাৰৰ সাৰুৱা মাটিত বাস কৰে। গাঁৱৰ মুখিয়াল জনক খুনং বুলি কোৱা হয়। তেওঁক সকলো সময়তে সহায় কৰিবলৈ "দিলেক" বুলি অন্য এজন লোকো থাকে। ডিমাছাসকল ইণ্ডো-মংগোলীয় গোষ্ঠীৰ তিব্বত বৰ্মী ভাষা পৰিয়ালৰ অন্তৰ্ভুক্ত। ডিমাছাসকলৰ মৌখিক ভাষাই এতিয়া লিখিত ৰূপ পাইছে। ডিমাছসকলে ডিমাপুৰত ১০৮৬চন মানত ৰাজ্য স্থাপন কৰা বুলি জনা যায়। ১৫৩৬চনত ডিমাপুৰ এৰি মাইবাঙত নতুন ৰাজ্য পাতে। ১৭৪৫চনত ডিমাছা ৰাজ্যৰ ৰাজধানী খাছপুৰলৈ স্থানান্তৰিত হয়। বৃটিছসকলে অসম অধিকাৰ কৰা পিছত এই ৰাজ্যও ইংৰাজ অধীন হৈছিল। ডিমাছাসকলে পালন কৰা জন্ম, মৃত্যু, বিবাহ ইত্যাদিৰ মাজেৰে তেওঁলোকৰ সাংস্কৃতিক জীৱন প্ৰতিভাত হৈছে।

**জন্ম সম্পৰ্কীয়:**

ডিমাছাসকলে 'হোজাইজিক' অৰ্থাৎ ধাইৰ হতুৱাই সন্তান জন্ম দিয়াই। ধাইৰ কামৰ সহায় কৰিবলৈ অন্য এগৰাকী মহিলা থাকে যাক 'বাৰু আজিক' বুলি কোৱা হয়। সন্তান জন্ম হোৱাৰ পিছত কেঁচুৱাৰ ওচৰ সম্বন্ধীয় এগৰাকী মহিলাই মাতৃদুগ্ধ পান কৰাত সহায় কৰে আৰু এইগৰাকীক 'আনুমাজিক' বোলা হয়। কেঁচুৱাক বাহিৰলৈ নোলোৱা দিনলৈকে ধাইগৰাকী কেঁচুৱাৰ ঘৰতে থকাটো নিয়ম। সন্তান জন্মৰ পিছত বাহঁৰ চেচুৰে নাভি কটা হয়। প্ৰসুতিক সুকীয়া কোঠাত ৰাখি অপদেৱতা ৰোধৰ বাবে দুৱাৰ খিৰিকিত 'ৰঙা বেত'ৰ টুকুৰা আঁৰি দিয়ে।

সন্তান জন্মৰ দ্বিতীয় দিনা নদীলৈ গৈ গংগাদেৱীক স্মৰণ কৰি এটি কণী কাটে আৰু চাকি জ্বলাই নদীত উটাই দিয়ে। তৃতীয় দিনা এহাল কুকুৰা কাটি তাৰ তেজ তেওঁলোকৰ প্ৰধান দেৱতা 'শিব্ৰাই'লৈ আগবঢ়ায়। কুকুৰা মাংসৰ লগত চাউলৰ মদ 'জু-দি-মা' পৰিৱেশন কৰে। এই অনুষ্ঠানত পুৰুষৰ প্ৰৱেশ নিশেধ। কেচুৱাৰ নাই সৰিলে ছোৱালী হ'লে সাতদিনত আৰু ল'ৰা হ'লে নদিনত চুলি খোৰাই চোৱা পেলায়। কেচুৱাৰ এমাহ হ'লে বাহিৰলৈ উলিয়াই মংগল কামনা কৰি পিতৃক স্পৰ্শ কৰাই আৰু সধৱা নাৰীসকলে সূৰ্য দেৱতাক প্ৰণাম কৰে। সেইদিনা গাৱঁৰ মানুহক ভোজ-ভাত খোৱাই ধাই গৰাকীক সন্মানেৰে ঘৰত থই আহে।

**বিবাহ সম্পৰ্কীয়:**

শুক্লপক্ষৰ বুধবাৰ ন'হলে শুক্ৰবাৰে দৰাঘৰে ছোৱালী চাবলৈ যোৱাৰ নিয়ম। ছোৱালী পচন্দ হ'লে দৰাঘৰে কইনাঘৰক বিবাহৰ প্ৰস্তাৱ দিয়ে। কইনাঘৰ সন্মত হ'লে দৰাঘৰে সাতখিলা কলপাতত এক কিলোগ্ৰাম নিমখ, পোন্ধৰযোৰ তামোল-পান টমালেৰে সাতপাক দি কইনাঘৰলৈ প্ৰেৰণ কৰি 'ছান্দিদাংছেংবা' অনুষ্ঠান পালন কৰে। ইয়াৰ পাছত 'লাউঠাই' প্ৰথা পালন কৰে। মদৰ লাও আৰু পাচলি লৈ দৰাৰ সম্বন্ধীয় দুজন ভায়েকে কইনাৰ ঘৰলৈ যাত্ৰা কৰে। কইনা ঘৰত দৰাঘৰৰ লোকসকলক আদৰ কৰি বহিবলৈ দিয়া হয়। বিয়াৰ দিন বাৰ ঠিক কৰাৰ পিছত সাধ্য অনুযায়ী মাননী(কাল্টি) দিয়া হয়। বিয়াৰ দিনা কইনা গা ধোৱাবলৈ পূবমুৱাকৈ বেই সাজি দিয়া হয়। দৰা-কইনা উভয়কে গা ধুৱাবলৈ নদী, পুখুৰী বা কুঁৱাৰ পৰা লোটাৰে পানী অনা হয়। দৰাই ধুতি, বগা কুৰ্তা পিন্ধি ডিঙিত বগা বা হালধীয়া গামোচা লয়। কাপোৰ পিন্ধাৰ আগেয়ে মাছৰ লগত পাঁচবিধ আঞ্জাৰে দৰাক ভাত খোৱাৰ পিছত ছোৱালী আনিবলৈ যোৱাৰ নিয়ম। বাটত দৰা আগুচা নিয়ম ডিমাছাসকলৰ মাজত আছে। বিয়াৰ দিনা ব্ৰাইশিবাৰায়ৰ(শিৱ-পাৰ্ৱতীৰ) নাম লৈ প্ৰসাদ আগবঢ়াই পুৰোহিতে পূজা-পাতল কৰে। দৰা-কইনাই জেষ্ঠজনৰ ওচৰত আঁঠু লৈ আৰ্শীবাদ লোৱাৰ পিছত সাতপাক ঘূৰি সেৱা জনায়। শ্ৰিবাই দেৱতাক সাক্ষী কৰি দৰাৰ দেউতাকে কইনাক বোৱাৰী হিচাপে গ্ৰহণ কৰে। বিয়াৰ তিনি,পাঁচ বা সাতদিনৰ দিনাহে দৰা নিজ গৃহলৈ কইনাক লৈ ওভতি যায়। দৰাঘৰলৈ যোৱাৰ পিছত কইনা পুনৰাই ঘৰলৈ ওভতি আহে। কইনা যেতিয়া পুনৰাই দৰাৰ ঘৰলৈ যায় তেতিয়া 'মাইয়াওৱা' অনুস্থান পাতি কইনাক দৰাৰ কুললৈ আদৰা হয়।

**মৃত্যু সম্পৰ্কীয়:**

মৃতকক ঘিলাগুটি, হালধী আৰু মাহ পিহি গা ধুৱাই দিয়ে পৰম্পৰাগত পোচাক পিন্ধায়। মৃতকক শ্মশানলৈ নিয়াৰ আগেয়ে ভাতৰ লগত লাওপানী সজাই দিয়ে। মৃতদেহ শ্মশানলৈ নিয়াৰ পিছত এগৰাকী মহিলাই এৰাঁ সূতা টুকুৰা-টুকুৰ কৰি ছটিয়াই যায় আৰু এগৰাকীয়ে খুচুৰা পইচা ছটিয়াই যায়। সাধাৰণতে মৃতকৰ পুত্ৰই মুখাগ্নি কৰে। অস্থি সংগ্ৰহ কৰি তীৰ্থত বিসৰ্জন দিয়া হয়। মৃত্যুৰ সাতদিনৰ দিনা দাহ কৰোঁতাসকলক লাওপানী আৰু নিৰামিষ ভোজন কৰোৱাই। শ্ৰাদ্ধৰ দিন সুবিধানুযায়ী ঠিক কৰি লৈ কুকুৰা, গাহৰি আদি কাটি নিয়ম কৰি আত্মীয়-কুটুম্বক ভোজ-ভাত খোৱায়।

**বিহু বা বুছু উৎসৱ:**

ডিমাছাসকলৰ বিহু তিনিবিধ- বুচু জিদাব, বুচু চুৰেম আৰু বুছু হাংছেউ। বুছু জিদাব এদিনীয়াকৈ বা তিনিদিনীয়াকৈ পাতে। বুছু চুৰেম তিনিদিন বা পাঁচদিনলৈকে পালন কৰে। বুছু হাংছেউ ডাঙৰকৈ পালন কৰে। ডিমাছাসলকে পৰম্পৰাগত পোচাক, অলংকাৰ পৰিধাণ কৰে। খেল ধেমালী পাতি ভোজ ভাত খায়। এই দিন সাতদিন ধৰি চলে। ডাঙৰক আৰু ৰাইজক সেৱা কৰি আৰ্শীবাদ লয়।



## ৰাভা সকলৰ বসন্তকালীন উৎসৱ – হাছি (মাৰাংগা) আৰু ৰোন্তাক বা মাম্বেমাকায়

ড০ নিতু চহৰীয়া
সহকাৰী অধ্যাপিকা



সংস্কৃতি মানৱ সমাজৰ আধাৰ। সমাজৰ যিকোনো আচাৰ-ব্যৱহাৰৰ অভ্যাসেই সংস্কৃতিৰ ৰূপ প্ৰকাশ কৰে।মানুহ মাত্ৰেই ৰং-আনন্দত মতলীয়া হ'বৰ বাবে সুযোগ বিচাৰি ফুৰে। উৎসৱ বা পূজা-পাৰ্বণৰ জৰিয়তে আনন্দ-ফুৰ্তি কৰি বক্তিগত বা সামাজিকভাৱে মংগল কামনা কৰি মাংগলিক অনুষ্ঠান সমূহ অনুষ্ঠিত কৰি আহিছে অতীজৰে পৰা।তাৰ মাজতো কিছুমান অনুষ্ঠান আনন্দ-ফুৰ্তিতকৈ ৰাইজৰ উপকাৰৰ ওপৰত বেছি গুৰুত্ব দিয়াদেখিবলৈ পোৱা যায়।

**ৰাভা সকলৰ বসন্তকালীন উৎসৱ হাছি ( মাৰাংগা ) :-**

হাছি (মাৰাংগা ) হ'ল দুৰ্ভিক্ষ , অপায় – অমঙ্গল আৰু পাপ বা অধৰ্মৰ দেৱতা। সাধাৰণতে প্ৰতিবছৰে চ'ত মাহৰ কোনোবা এটা শনিবাৰ বা মংগলবাৰে গোটেই গাঁওবাসী লগলাগি বছৰটোৰ সকলো অপঘাত , অপকাৰ্য আৰু অপবাদ নোহোৱা কৰিবৰ কাৰণে এই পূজা অনুষ্ঠিত কৰে। ৰাভা জনগোষ্ঠী কৃষিজীবি। সেয়েহে গোটেই বছৰটোত নিয়মিত বৰষুণ আৰু অনুকুল পৰিৱেশৰ বাবে কামনা কৰি আৰু ৰাইজৰ উন্নতিৰ কাৰণে হাছি মাৰাংগা উৎসৱ অনুষ্ঠিত কৰা হয়। উঁই পৰুৱাৰ শুকান বাহ , পুৰণি তিতা লাউৰ খোল , নতুন দীঘল নালযুক্ত বিচনী আদি বাঁহৰ খুটিৰ ওপৰত গুজি দিয়ে। তাৰ পিছত এজোপা ডাঙৰ গছৰ গুৰিত বা শিলত বেদী নিৰ্মান কৰি তাত মদ বাকি , বলিৰ তেজ আৰু পিঠাগুড়ি ছটিয়াই স্তুতি গীতেৰে প্ৰাৰ্থনা কৰি হাছি দেৱতাক পূজা দিয়াৰ নিয়ম। ঘৰৰ মুৰব্বী সকলে এই পূজাত অংশ গ্ৰহণ কৰে। মহিলা আৰু লৰা-ছোৱালীৱে এই পূজাত অংশ গ্ৰহণ কৰিব নোৱাৰেঁ বাবে নৃত্য-গীতৰ বিশেষ আয়োজন নাথাকে। বিশ্বাস আছে যে – হাছি দেৱতাক পূজা দিয়াৰ পিছত হে বতাহ-বৰষুণ হয় আৰু ঝুম খেতি বা আহু আদি আন আন খেতিৰ বাবে বতৰ উপযোগী হৈ পৰে। গাঁও খনত মাৰি-মৰক , কটা-কটি- অপমৃত্যু বা অগ্নিদাহ হ'লে প্ৰতিকাৰৰ বাবে হাছি দেৱতাক অকালবোধন কৰি পূজা দিয়াও প্ৰচলিত আছে।

**ৰোন্তাক বা মান্বেবাকায় (লক্ষ্মী পূজা):-**

অতীজতে ফাগুন -চ'ত মাহত ৰাভা সকলে ঝুমতলী মোকলাই নানা ধৰণৰ আলু-কচু , আহুধান , লাউ-বেঙেনা আদিৰ খেতি কৰিছিল। এই খেতি কৰাৰ পূৰ্বে তেওঁলোকে ৰাজহুৱা ভাৱে ৰোন্তাক বা বামাচাৰি দেৱীক আৰাধনা কৰে। মায়তাৰি ৰাভা সকলে নদী বা নিজৰাপাৰত থান প্ৰস্তুত কৰে ।আগৰ দিনাখন সকলো গৃহস্থই ঘৰ-দুৱাৰ মচি শুদ্ধ কৰি লয় আৰু সেইদিনা খনেই দেউৰীৰ ঘৰত মদ পতা হয় গতিকে দেউৰীয়ে সিদিনাৰ পৰা উপবাসে থাকিব লাগে। পূজাৰ দিনাখন ঘৰৰ মুৰব্বী সকলে পূজাৰ বলিৰ লগতে এখৰাহীকৈ নিজৰ ভঁৰালৰ ধান নি পূজাৰ বেদীত শাৰী পাতি থৈ দিয়ে। নতুনকৈ প্ৰস্তুত কৰা সৰু সৰু নাঙল-যুৱলিৰে হাতেৰে টানি ঠাইখিনি চহাই লয় ।
ৰোন্তাক দেৱীৰ উদ্দেশ্যে কুকুৰা কাটি বলি দিয়াৰ পিছত প্ৰতিটো খৰাহীৰ পৰা এমুঠি ধান আনি মাটি টুকুৰাত সিঁচি দিয়া হয় আৰু কৃষিৰ অধিষ্ঠাত্ৰী বসুমতী দেৱীক প্ৰাৰ্থনা কৰা হয়। সন্ধিয়া পূজাৰ সামৰণি পৰে । প্ৰতি ঘৰৰে একোজনী কুমাৰী ছোৱালীয়ে নতুন কাপোৰ পিন্ধি নিজৰ ধানৰ খৰাহীটো বোকোচাত লৈ মৌনভাৱে ঘৰলৈ আহি ভঁৰালত স্থাপন কৰে আৰু চাকি-বন্তি জ্বলাই দেৱী গৰাকীক প্ৰাৰ্থনা কৰে। পূজাত থানত সিঁচি থৈ অহা ধান গজিলেহে ৰাইজে নিজৰ পথাৰত ধান সিঁচা কাম আৰম্ভ কৰে। বোকোচাত বান্ধি অনা বাবে এই পূজাক 'মান্বেবাকায়' বুলি কোৱা হয়।

আনহাতে কোচ ৰাভাসকলে ঘৰৰ ভাত ৰন্ধা কোঠালিত পাতি থৈ দিয়া চাউল পূৰ্ণ পাত্ৰ দুটাকে দেৱী জ্ঞান কৰি তিনিদিন ধৰি ইয়াক উদযাপন কৰে।ৰাইজৰ উপস্থিতিত হয় বাবে এই পূজা ব্যক্তিগত হৈও ৰাজহুৱা পূজাৰ মৰ্যদা লাভ কৰিছে। অতীজতে ফাগুন -চ'ত মাহত এই পূজা হৈছিল যদিও আজিকালি হোলীৰ দিনাখনে পূজা অনুষ্ঠিত কৰা হয়।

## জানানে?

ইয়ালিং উৎসৱ কোন জনগোষ্ঠীয়ে পালন কৰে?
উ- তিৱা জনগোষ্ঠী।
ওমফা পূজা কোন জনগোষ্ঠীয়ে পালন কৰে?
উ- আহোম জনগোষ্ঠী ।
হাউনীয়া পূজা কোন জনগোষ্ঠীৰ লোকে পালন কৰে?
উ- দেউৰী জনগোষ্ঠী ।
ৰংখেৰ উৎসৱ কোন জনগোষ্ঠী লোকে পালন কৰে?
উ- কাৰ্বি জনগোষ্ঠী।
টুচু পূজা কোন জনগোষ্ঠী লোকে পালন কৰে?
উ- চাহ জনগোষ্ঠী ।




## তিৱা জনগোষ্ঠীৰ বৰত উৎসৱ :পৰম্পৰা আৰু পৰিৱৰ্তন : এক আলোকপাত

**নয়নমণি দেৱী**
**সহকাৰী অধ্যাপিকা**

বৈচিত্ৰ্যপূৰ্ণ ভাষা-সাহিত্য-সংস্কৃতি, জাতি-উপজাতিৰে ভৰা অসমৰ এটা প্ৰাচীন জনগোষ্ঠী 'তিৱা' বা 'লালুং'সকল। প্ৰাক্ ঐতিহাসিক কালতে অসমলৈ আহি নিগাজীকৈ বসতি কৰিবলৈ লোৱা মংগোলীয় প্ৰজাতিৰ লোকসকলৰ এটি প্ৰধান ফৈদ আছিল 'বড়ো-নাগা'। এই ফৈদৰপৰা সৃষ্টি হোৱা বিভিন্ন উপ ফৈদৰ অন্যতম ফৈদ হ'ল 'তিৱা'। ইতিহাস পুৰাতাত্ত্বিক ৰাজমোহন নাথৰ মতে, তিৱাসকল খ্ৰী:পূৰ্ব ১৯০০ মানৰ পৰা মধ্য অসমৰ কপিলী উপত্যকাত 'ত্ৰিবেগ' নামৰ এখন স্বাধীন ৰাজ্য স্থাপন কৰি কেবাপুৰুষো শাসন চলাইছিল। অসমৰ বড়ো, ৰাভা, কাৰ্বি আদি জনগোষ্ঠীৰ দৰে 'তিৱা'সকলো প্ৰাচীন জনগোষ্ঠী। এই তিৱাসকল মূলত: মধ্য অসমৰ বসবাসী। এই তিৱাসকলৰেই এখন ৰাজ্য 'তেতেলীয়া'। এই ৰাজ্য বৰ্তমান মৰিগাওঁ জিলাৰ মধ্য পশ্চিম অঞ্চলত অৱস্থিত। এই ৰাজ্যৰে এটি প্ৰধান লোকউৎসৱ হ'ল 'বৰত'।

বৰত শব্দটো সংস্কৃতি 'ব্ৰত' শব্দৰ সৰলীকৰণ মাথোন। তেতেলীয়া ৰাজ্যৰ ৰজা ৰণসিদ্ধ বা ৰণজয়ৰ দিনৰপৰাই 'বৰত পূজা' প্ৰচলন হয় বুলি জনা যায়। তিৱাসকলৰ এই উৎসৱৰ আনুষ্ঠানিক আৰম্ভণিৰ পৰা শেষলৈকে কোঁৱৰ-কুঁৱৰী, বৰতানী প্ৰভৃতি কিছু বিশেষ ব্যক্তিয়ে ব্ৰত পালন কৰাৰ নিয়ম পূৰ্বৰে পৰা প্ৰচলিত হৈ আহিছে। অতিশয় আকৰ্ষণীয় এই 'বৰত উৎসৱক কোনোৱে কুমাৰী পূজা আৰু কোনোৱে ঊষা-অনিৰুদ্ধৰ প্ৰণয় কাহিনী বুলি ক'ব খোজে'। পৰম্পৰা অনুসৰি বৰত উৎসৱ কাতি মাহৰ অমাৱশ্যা তিথিত বা কাতি বিহুৰ দিনৰে পৰা আনুষ্ঠানিকভাৱে আৰম্ভ হয়। তেতেলীয়া পাহাৰৰ দাঁতিত বৰত পূজা সম্পাদন কৰা হয়। পূজা স্থানৰ কাষতে এখন কালিকা থান আৰু তাৰ কাষত বংশীবাদন থান নামে এখন থান থাকে। কালিকা থানত আগতীয়াকৈ পূজা দি বৰত উৎসৱ কৰাৰ নিয়ম। বৰত পূজা আৰম্ভ কৰাৰ আগেয়ে কাতি বিহুৰ দিনা গধূলি সৰস্বতীদেৱীৰ পূজাৰে 'বৰত'ৰ পাতনি মেলা হয়। উৎসৱ উদযাপনৰ উদ্দেশ্যে তেতেলীয়াগাঁৱৰ 'ৱাৰিকে' নিজ গাঁৱৰ মুনিহ-তিৰোতা সমন্বিতে ওচৰৰ সকলো গাঁৱৰ লোকক নিমন্ত্ৰণ কৰি একগোট কৰে।



সৰস্বতী পূজাৰ দিনাৰ পৰা সপ্তাহৰ মূৰে মূৰে নদীৰ সাতটা ঘাটৰ পৰা সাত ঘট পানী তুলি আনি ব্ৰত পালন কৰি ব্ৰতেশ্বৰীক নোওঁৱা হয়। বিয়াত অকুমাৰী ছোৱালী এজনীয়ে ঘট ধৰাৰ নিয়ম। ব্ৰতেশ্বৰ নিৰ্বাচন কৰা হয় এটা বিশেষ ‘কুল’ৰ পৰা। উল্লেখযোগ্য যে তিৱা লোকসকলৰ মাজত ‘কুল’ বা ‘কুৰ’ বহুতো আছে। বিশেষ দলে বংশত যদি উপযুক্ত যুৱতী নাথাকে তেনেহ’লে বৃদ্ধা অথবা আদহীয়া তিৰোতাক ব্ৰতেশ্বৰী নিৰ্বাচন কৰা হয়। যদি সেই কুলত বিশেষ তিৰোতা নাথাকে তেনেহ’লে অন্য ‘কুল’ৰ পৰা ‘বৰতানী’ক নিৰ্বাচন কৰে। পানী তোলা আয়তীসকলে এমাহ জুৰি ‘বৰতানী’ক নোৱায়। বৰতানী নোওঁৱা সময়ত কুৰি অধ্যায় নাম গোৱা হয়।এইদৰে এফাঁকি গীতকে সাতবাৰকৈ গোৱা হয়। বৰত উৎসৱত কিছুমান পালনীয় বিধি নিষেধ আছে। বৰতৰ কুঁৱৰীৰ লগতে চাৰিগৰাকী মূল আয়তীয়ে মাছ-মাংস, তামোল-পান আদি খোৱা নিষেধ। সন্ধ্যা নোওৱা-ধুওৱা কৰাৰ পিছতহে নিৰামিষ আহাৰ গ্ৰহণ কৰিব লাগে। অন্যহাতে নোওৱা-ধুওৱা কৰা আয়তীসকলেও এনে নিয়ম পালন কৰিব লাগে। এই নিয়ম ভংগ কৰিলে ভংগ কৰোঁতাৰ অপায়-অমঙ্গল হয় বুলি বিশ্বাস।

মূল বৰতৰ আগদিনা এখন শৰাইত আগলি কলাপাত এজাপ, চাউল, তামোল, এবটা, দি থাপনা স্থাপন কৰা হয়। থাপনাত এটা ঘট, এটা জাপি, সাত বা ন-গছ বন্তি জ্বলাই ঘটতো কপাহি কাপোৰেৰে মেৰিয়াই ৰখোৱা হয়। কুঁৱৰীক নোওঁৱাৰ পিছত মূল বৰতৰ দিনালৈকে সেই থাপনা বা ঘৰটোতে পানীতোলা ঘট, জাপি দোলা আদি ৰাখি থোৱা হয়। মূল বৰতৰ দিনা ৰভাস্থলীৰ মাজভাগত পূবমূৰাকৈ এখন চন্দ্ৰতাপ তৰি তলত চাৰিকোণীয়া মাটিৰ মণ্ডপত ‘চামৰ পীৰা’ পাৰি ‘বৰত কুঁৱৰী’ক বহুৱায়। কুঁৱৰীৰ ওচৰত আয়তীসকল আৰু কাষতে আইসকল বহে। ৰভাৰ প্ৰতিটো খুঁটাত ‘দোলা’ স্থাপন কৰি দোলাৰ কাষে কাষে মুঠতে ৩৬০ গছি বন্তি জ্বলোৱা হয়। ১০০ অধ্যায় গীত গোৱাৰ লগে লগে জুইৰ অঙঠা লৈ নাচনিয়াৰসকলে নাচি নাচি ৰভাখনৰ চাৰিওফালে এপাক ঘূৰে। এইদৰে জুই অঙঠা লৈ ঘূৰাটোক ‘অগ্নিগড়’ বন্ধা বোলে।

বৰত উৎসৱৰ সামৰণিৰ ফালে পুৱা পীৰা যুঁজ অনুষ্ঠিত হয়। তেতিয়াই কুঁৱৰীৰ দ্বাৰা পূজিত চাম কাঠৰ ‘সুংগৰী পীৰা’খনকলৈ চাৰিগৰাকী কুমাৰী ছোৱালীৰ মাজত যুঁজ হয়। পীৰ যুঁজ হওঁতেও সাত অধ্যায় গীত গোৱা হয়। যিগৰাকী ছোৱালীয়ে পীৰাখন নিজৰ আয়ত্বলৈ আনিব পাৰে, সেইগৰাকীক ৰজাই বিশেষ পুৰস্কাৰেৰে পুৰস্কৃত কৰে। সেইসময়তে বৰতৰ ‘বিদায়ী ইগীত’ গাই বৰতৰ কুঁৱৰীক পুনৰ পিছৰ বাৰলৈ বৰত পূজালৈ অহাৰ আমন্ত্ৰণ জনায়। এই কাৰ্য সমাপনৰ লগে লগে ৰজা, ৰাজপৰিষদ বৰ্গ, সমাজৰ বৰমূৰীসকলে বৰতানীৰ ঘৰত সমবেত হৈ উৎসৱটিৰ বিভিন্ন দিশত আৰু দোষ-ত্ৰুটিৰ আলোচনা কৰে।



## বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত উৎসৱ : এক পৰ্যালোচনা

**ড০ মালবিকা বাগলাৰী**
**সহকাৰী অধ্যাপিকা**



বড়ো জনগোষ্ঠী (ইংৰাজী: Bodo) হৈছে অসমৰ ভৈয়ামৰ চীনা তিব্বতীয় জনগোষ্ঠী। অসমৰ ভৈয়ামত বাস কৰা জনগোষ্ঠীসকলৰ ভিতৰত এওঁলোক সংখ্যাগৰিষ্ঠ। বড়ো সকলৰ মাতৃভাষা বড়ো ভাষা। বড়োসকল বৃহৎ মংগোলীয় গোষ্ঠীৰ অন্তৰ্ভুক্ত। প্ৰাচীন কালৰ হিমালয়ৰ উত্তৰে আৰু চীনৰ পশ্চিমে অৱস্থিত "বড" দেশৰ বাসিন্দাসকলৰ এই জনগোষ্ঠীটো খ্ৰীঃপূঃ প্ৰায় ১৫ শ শতিকা মানতেই সমগ্ৰ পূব ভাৰতত বিয়পি পৰে। মহাভাৰতত উল্লেখ কৰা কিৰাতসকলেই পূব ভাৰতৰ বড়োসকল। প্ৰাচীন কালত এই মূল "বড" দেশৰ বাসিন্দাসকলক "বড়ো-ফিচা" বা "বড়োচা" ("বড়ো" মানে ভূমি আৰু "ফিচা" বা "চা" মানে সন্তান অৰ্থাৎ বড দেশৰ সন্তান) বুলি জনা গৈছিল আৰু সময়ৰ সোঁতত বড বা বড়ো হিচাপে জনাজাত হয়। অসমৰ কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাত বড়োসকলৰ মূল বসতি। ইয়াৰোপৰি কাৰ্বি আংলং গোৱালপাৰা, কামৰূপ, নলবাৰী, শোণিতপুৰ, ঢেকীয়াজুলি, মংগলদৈ, বিশ্বনাথ চাৰিআলি আদি প্ৰায় সমূহ জিলাতে বড়ো লোক দেখা পোৱা যায়। এক সময়ত গোটেই গুৱাহাটী অঞ্চলেই বড়ো লোকেৰে ভৰি আছিল। তদুপৰি পশ্চিমবঙ্গ, মেঘালয়, নাগালেণ্ড, অৰুণাচল আনকি ভূটান-নেপালতো বড়ো জনগোষ্ঠী পোৱা যায়।

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে বড়ো সকলেও প্ৰজনন আৰু উৰ্বৰাৰ প্ৰতীকৰূপত খেৰাই উৎসৱ পালন কৰে। এই খেৰাই উৎসৱ বহাগ বিহুৰ দৰে বসন্তকালীন উৎসৱ। এই উৎসৱৰ লগত জড়িত খেৰাই নৃত্য এক ঋতুধৰ্মী নৃত্য। সিজু গছক বাথৌ দেৱতা হিচাপে গণ্য কৰি বড়োসকলে পৰম্পৰাগতভাৱে এই পূজা পাতে। খেৰাইৰ বুৎপত্তিগত অৰ্থ এচাম পণ্ডিতে এইদৰে দিছে, খেৰাই হ’ল খাৰ+আই, অৰ্থাৎ খাৰ মানে হ’ল দৌৰা বা গতি কৰা আৰু আই মানে গোঁসানী। আইমাতৃক সন্তুষ্ট কৰিবৰ বাবে কৰা নৃত্যই হ’ল খেৰাই নৃত্য। কোনো কোনোৰ মতে খ-ৰ অৰ্থ হ’ল আঁঠু কঢ়া, ৰা-মানে সম্বোধন কৰা আৰু ই-ৰ অৰ্থ হ’ল ঈশ্বৰৰ উদ্দেশ্যে কৰা নৃত্য। বাথৌ দেৱতাৰ সমুখত বিভিন্ন উপাচাৰ, বলিৰ জীৱ-জন্তু, পশু-পক্ষী থৈ দেওধনীয়ে পূবফালে মুখ কৰি গমাৰি কাঠৰ পীৰাত বহে। ওজাই পিছত বহি আঁঠুলৈ মন্ত্ৰ মাতে। ওজাৰ পিছত বুঢ়া-মেথাসকল বহে। দেউৰীয়ে দেওধনীৰ বাওপিনে কিছু আঁতৰত বহে। সেইসময়তে খেৰাই নৃত্য চলি থাকে। পূজা শেষ হৈ যোৱাৰ পিছতো নৃত্য চলি থাকে। খাম, চিফুং, ৰিঙি, ৰামতাল, ওৱা, খোৱাং, বংগনা আদি এই নৃত্যত ব্যৱহাৰ হোৱা বাদ্যযন্ত্ৰ।

বড়োসকলে বছৰেকত সমজুৱাকৈ এবাৰ গাৰজা, এবাৰ খেৰাই (বাথৌ) আৰু সময় সুবিধা অনুযায়ী ব্যক্তিগতভাৱে মায়নাওব্ৰী (লক্ষ্মী), বুৰ্লিব্ৰী (কামাখ্যা), মাৰাই (মনসা)ৰ উদ্দেশ্যে বিশেষ ৰীতি-নীতি আৰু বলি-বাহনেৰে পূজা দিয়ে। খেৰাই উৎসৱ অতি জাক-জমকতাৰে উদ্‌যাপন কৰে। আমথিচুৱা (অম্বুবাচী), কাতিগাছা (কাতিবিহু), দোমাছি (ভোগালী বিহু), ফুছুলহাবা (পুতলী বিয়া), বৈছাগু বা বাইছাগু (ব’হাগ বিহু) আদিৰো বড়ো সমাজত প্ৰচলন আছে।

উৎসৱ-পাৰ্বণত পুৰুষৰ লগতে বড়ো চিখ্‌লা (গাভৰু), আয়থা (আয়তী), বৈৰাথী (নামতী) আৰু বয়োবৃদ্ধা লোকৰ বিশেষ ভূমিকা আছে। খেৰাই পূজাৰ দৈদিনী (দেওধানী) আৰু বাগৰুম্বা আদি নৃত্য-গীত নাৰীকেন্দ্ৰিক।

# মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত উৎসৱ অনুষ্ঠান: এক আলোচনা

**মেঘালী মৰাং**
**সহকাৰী অধ্যাপিকা**



মিচিং সমাজৰ উলাহৰ উৎসৱ – আলি আঃয়ে লৃগাং আৰু পঃৰাগ অসমৰ ঐতিহ্যময়, বাৰেৰহণীয়া কৃষ্টি সংস্কৃতিৰে চহকী এক জনগোষ্ঠী হৈছে মিচিং জনগোষ্ঠী। অতীজৰে পৰা মিচিং সমাজে অসমত সম্প্ৰীতি আাৰু ভ্ৰাতৃত্ববোধৰ এনাজৰীৰে নিজৰ স্বকীয় পৰিচয় বহন কৰি আহিছে। চহকী মিচিং জনগোষ্ঠীৰ সংস্কৃতিৰ এক অন্যতম উপাদান হৈছে ইয়াৰ বাৰেৰহণীয়া উৎসৱ তথা পৰম্পৰাসমূহ।

মিচিং জনগোষ্ঠীয়ে মূলতঃ দুই ধৰণৰ কৃষিভিত্তিক উৎসৱ পালন কৰে – আলি আঃয়ে লৃগাং আৰু পঃৰাগ। এই দুয়োটা উৎসৱেই যথেষ্ট উলহ মালহেৰে পালন কৰা হয়। আলি আঃয়ে লৃগাং শস্য ৰোপণৰ আগত আাৰু পঃৰাগ খেতিৰ সফল সমাপ্তিৰ পাছত পালন কৰা হয়। দুয়োটা উৎসৱতেই সকলোৰে মঙ্গল কামনাৰে মিচিং সমাজৰ ইষ্টদেৱতাক প্ৰাৰ্থনা জনোৱা হয়।

## আলি আঃয়ে লৃগাং

মিচিং জনগোষ্ঠীৰ এক অন্যতম পৰিচয় দাঙি ধৰা উৎসৱ হৈছে আলি আঃয়ে লৃগাং। কৃষিভিত্তিক এই উৎসৱ প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰে পালন কৰা হয়। মিচিং ভাষাত 'আলি'ৰ অৰ্থ হৈছে 'বীজ', 'আঃয়ে' মানে হৈছে 'ফল' আৰু 'লৃগাং' মানে হৈছে 'সিঁচা'। এই উৎসৱত মিচিং লোকসকলে শস্য সিঁচাৰ লগতে সকলোৱে মিলিজুলি সমূহীয়াকৈ ভোজ-ভাত খাই নৃত্য-গীত পৰিৱেশন কৰে। ঘৰখনৰ মূল ব্যক্তিগৰাকীয়ে আগবেলা পথাৰত বীজ সিঁচি আনুষ্ঠানিকভাৱে এই উৎসৱৰ আৰম্ভণি কৰে। ইয়াৰ পাছতে শস্যপথাৰৰ মংগল আৰু খেতিৰ শ্ৰীবৃদ্ধি কামনা কৰি ইষ্ট দেৱতাক স্মৰণ কৰি প্ৰাৰ্থনা কৰা হয়। উলাহৰ এই আয়োজনত তৰাপাতেৰ মেৰিয়াই সিদ্ধ কৰা বিশেষ আঠাজাতীয় চাউলৰ ভাত পুৰাং আপিন, আৰু চাউলেৰে তৈয়াৰী পৰম্পৰাগত পেয় আপং পৰিৱেশন কৰা হয়। গাঁৱৰ ডেকাসকলে সন্ধিয়া ঘৰে ঘৰে গৈ পদূলিমুখত গুমৰাগ চঃমেন নৃত্য-গীত পৰিৱেশন কৰে। আলি আঃয়ে লৃগাং উৎসৱ পৰম্পৰাগতভাৱে পাঁচদিনীয়াকৈ পালন কৰা হয়। এই উৎসৱৰ সৈতে সংগতি ৰাখি মিচিং সমাজত বিভিন্ন লোকবিশ্বাসৰো প্ৰচলন আছে। উদাহৰণস্বৰূপে, উৎসৱৰ চতুৰ্থ দিনা মাটি খন্দা, গছ কটা, কণী, ফল-মূল, ভজা পোৰা আদি খাদ্য খোৱা, মাছ মৰা, পথাৰত জুই ধৰা আদিৰ ক্ষেত্ৰত বাধা নিষেধৰ নিয়ম প্ৰচলিত আছে। এই বাধা নামানিলে পথাৰত শস্যৰ উৎপাদন ভাল নহয় বুলি মিচিং সমাজত বিশ্বাস কৰা হয়।

## পঃৰাগ

মিচিং সমাজত প্ৰচলিত অন্য এক প্ৰধান কৃষিভিত্তিক উৎসৱ হৈছে পঃৰাগ। শস্যৰ উৎপাদন ভাল হ'লে খেতি চপোৱাৰ পাছত পালন কৰা এই উৎসৱ বাৰ্ষিকভাৱে পালন কৰা নহয়। এই উৎসৱত গাঁৱৰ বয়োজ্যেষ্ঠ লোকৰ দ্বাৰা সৃষ্টিকৰ্তা তথা পূৰ্বপুৰুষসকলক তুষ্ট কৰিবৰ উদ্দেশ্যে প্ৰাৰ্থনা কৰা হয়। এই উৎসৱত গাঁৱৰ সকলোৱে মিলি ভোজ-ভাত খায়, য'ত গাহৰিৰ মঙহ আৰু পঃৰ আপং নামৰ ছাই মদ পৰিৱেশন কৰা হয়। এই উৎসৱৰ এক অন্যতম বৈশিষ্ট্য হৈছে নিজৰ গাঁও এৰি অন্য ঠাইত বিবাহসূত্ৰে বাস কৰা জীয়ৰী সকলক উৎসৱলৈ নিমন্ত্ৰণ, লগতে কাষৰীয়া ঠাইৰ গণ্য-মান্য ব্যক্তিসকলকো ভোজলৈ নিমন্ত্ৰণ কৰা হয়। এই উৎসৱ তিনিদিন ধৰি নৃত্য-গীতৰ মাজেৰে উদযাপন কৰা হয়।



# হাজং সকলৰ "লেৱাটানা " নৃত্য এক আলোচনা

**পিয়াৰ মোশাৰফ শিৰাজী,**
**স্নাতক পঞ্চম ষান্মাসিক**



লেৱাটানা (ইংৰাজী: Lewatana dance) অসমৰ মংগোলীয় মূলৰ বাসিন্দা হাজংসকলৰ অন্যতম জাতীয় উৎসৱ। কৃষিজীৱী হাজংসকলে কৃষিকাৰ্য সামৰণি পৰাৰ পিছত পুষণৈ, চ'ৰমাগা আদি নানা উৎসৱ পালন কৰে। কৃষিকাৰ্যৰ সামৰণি সময় মানে হাজং ডেকাসকলৰ অৱসৰ বিনোদনৰ সময়। এই সময়তে হাজং ডেকাসকলে ঘৰে ঘৰে চ'ৰমাগা অনুষ্ঠিত কৰি, ইয়াতে লেৱাটানা নৃত্য পৰিৱেশন কৰে। লেৱাটানাৰ অৰ্থ হ'ল, লেৱা মানে লতা আৰু টানা মানে টনা। যৌৱনৰ প্ৰতীক হিচাপে পালিত এই উৎসৱত ঘাইকৈ প্ৰেমমূলক গীত গাই হাজং ডেকা-গাভৰুৱে এই নৃত্য পৰিৱেশন কৰে। হাজংসকলৰ লেৱাটানা নৃত্যৰ লগত অসমৰ বিহুৰ গীত-নাচৰ যথেষ্ট সাদৃশ্য থকা দেখা যায়।

লেৱাটানা নৃত্যত যুৱক-যুৱতী উভয়ে অংশগ্ৰহণ কৰে। হাজং নাৰী বোৱা-কটাত পাকৈত। তেওঁলোকে নিজহাতে তৈয়াৰ কৰা নান ৰং-বিৰঙৰ কাৰু-কাৰ্যখচিত ৰাঙা পাতিন আৰু ফুলাম আগন প্ৰস্তুত কৰি নৃত্যৰ বাবে বহুদিন আগৰ পৰাই সাজু হয়। এই নৃত্যত গাভৰুসকলে বুকু ঢকা একোখন ফুলাম আগন ইংৰাজী V আখৰটোৰ দৰে পিন্ধি বুকুৰপৰা ভৰিপতাত লগাকৈ একোখন ৰাঙাপাতিন বা পাটানি পিন্ধে আৰু হাতত ৰঙীন ৰুমাল লয়। পাতানি হাজংসকলৰ জাতীয় ঐতিহ্যবহনকাৰী সাজ। যুৱকসকলে এখন গামোচা মূৰত শিৰস্ত্ৰাণৰূপে মেৰিয়াই লয় আৰু আন এখন গামোচা আঁঠুমূৰীয়াকৈ ধুতীৰ দৰে পিন্ধি লয়। যুৱতীসকলে সোণ-ৰূপ বা আজিকালি পোৱা বিভিন্ন আ-অলংকাৰ হাত, কাণ আৰু ডিঙিত পিন্ধে। লেৱাটানা নৃত্যত চিংৰা(ডেকা) আৰু চিংৰি(গাভৰুৱে) দুফালে দুটা শাৰীত বৈ নৃত্য পৰিৱেশন কৰে। পুৰণি অসমৰ বিহুৰ দৰে দুটা শাৰীত নৃত্য কৰা ডেকা-গাভৰুৱে পৰস্পৰে গীতৰ মাজেৰে প্ৰেম নিবেদন কৰি আনন্দ কৰে। আজিকালি লেৱাটানা নৃত্য বিভিন্ন সভা সমিতি আৰু আন আন উৎসৱতো পৰিৱেশন কৰা দেখা যায়। লেৱটানা নৃত্য-গীত ডেকা-গাভৰুৰ প্ৰণয়মূলক, ব্যংগ-কৌতুকসূচক আৰু শ্ৰমজীৱী জীৱনৰ চিত্ৰৰে পৰিস্ফুট। ডেকা-

আয় বইনি সংগে লেওকা টানং ৰংগে
লেওয়া টানিয়া যাং আপন ঘৰে
কি স্বজনী, লেওয়া টানিয়া যাং আপন ঘৰে।

গাভৰু-

যাং দাদা ৰংগে, লেওৱা টানং সংগে
একে সংগে যাং আপন ঘৰে
কি ৰাম ঐ ৰাম, একে সংগে যাম আপন ঘৰে।

লেৱাটানা নৃত্যত কিছুমান বিশেষ বাদ্য বজোৱা হয়। সেইবোৰ হ'ল, চাৰাঙী, বাঁহী, দোতাৰা, ঢোল আৰু তাল। লেৱাটানা নৃত্যৰ গীতবোৰ চুটি চুটি আৰু একতাল বিশিষ্ট সুৰৰ। প্ৰথমে মধ্যম তালত গীত গাই শেষত খৰতালত শেষ হয়[2] আৰু গীতৰ তালে তালে খৰগতিত নৃত্য কৰি সামৰা হয়।

## চাহ জনগোষ্ঠীৰ " কৰম পূজা" এটি আলোচনা

মোজিম আলী,
স্নাতক পঞ্চম ষান্মাসিক



কৰম পূজা মূলত কৃষিভিত্তিক অনুষ্ঠান। এই পূজা বছৰৰ বিভিন্ন সময়ত তিনিবাৰ কৰা হয়। যেনে-ভাদ মাহৰ শুক্লা একাদশীত 'জিতিয়া কৰম', আহিন মাহৰ বিজয়া দশমীত 'বুঢ়ী কৰম' আৰু আঘোণ মাহৰ পূৰ্ণিমা তিথিত 'ৰাস কৰম' পালন কৰা হয়। হ'লেও ভাদ মাহৰ শুক্লা একাদেশীৰ জিতিয়া কৰমেই চাহ বনুৱা সমাজত আটাইতকৈ আড়ম্বৰপূৰ্ণ, উলাহ ভৰা উৎসৱ। চাহ বনুৱা সমাজত অতীজৰে পৰা কিছুমান পূজা-পাৰ্বণ, আচাৰ-অনুষ্ঠান আছে। এই পূজা-পাৰ্বণসমূহৰ ভিতৰত কৰম পূজা বা পৰৱেই চাহ বনুৱা সমাজৰ আটাইতকৈ আড়ম্বৰপূৰ্ণ আৰু উৎসাহ ভৰা পূজা বা অনুষ্ঠান। ল'ৰা-ছোৱালীৰ পৰা বুঢ়া-বুঢ়ীলৈকে সকলোৱে মতলীয়া হৈ পৰে এই পূজাত। ঢোল-মাদলৰ ছেৱে ছেৱে নাচোনৰ পয়োভৰ হয় ডেকা-গাভৰুৰ মাজত। সকলোৱে যেন আন কাম পাহৰি আত্মহাৰা হৈ পৰে এই উৎসৱত। কৰম পূজা মূলত: কৃষিভিত্তিক অনুষ্ঠান। এই পূজা বছৰৰ বিভিন্ন সময়ত তিনিবাৰ কৰা হয়। যেনে ভাদ মাহৰ শুক্লা একাদশীত 'জিতিয়া কৰম', আহিন মাহৰ বিজয়া দশমীত 'বুঢ়ী কৰম' আৰু আঘোণ মাহৰ পূৰ্ণিমা তিথিত 'ৰাস কৰম' পালন কৰা হয়। হ'লেও ভাদ মাহৰ শুক্লা একাদশীৰ জিতিয়া কৰমেই চাহ বনুৱা সমাজত আটাইতকৈ আড়ম্বৰপূৰ্ণ, উলাহ ভৰা উৎসৱ।

কৰম পূজাৰ গুৰুত্বপূৰ্ণ অংশটো হৈছে 'বালি উঠা' বা ঝাৱা ধৰা। এই পূজাত অংশ ল'ব বিচৰা জীয়ৰী-বোৱাৰীসকল উপবাসে থকাটো নিয়ম। উপবাসে থকা মহিলাসকলক কৰমতী বুলি কোৱা হয়। কৰমতীসকলে পূজাৰ তিনি, পাঁচ আৰু সাত দিন মানৰ আগতে ঢোল, মাদল, বাঁহী আদিৰ ছেৱে ছেৱে ধূপ-দীপ, নৈবেদ্যসহকাৰে কোনো এক পুখুৰী বা নদীৰ ঘাটলৈ গৈ স্নানাদি কাৰ্য সমাপন কৰি এডোখৰ ভাল ঠাইত ধূপ-দ্বীপ, নৈবেদ্য আদিৰে পূজা-অৰ্চনা কৰি, আৰতি গাই লগত নিয়া নতুন পাত্ৰ বা পাচিত সকলোৱে এঁকাজলি বালি ভৰায়। এই বালিতেই কৰমতীসকলে লগত নিয়া মাটিমাহ, বুটমাহ, মগুমাহ, ধান, বজৰা, সৰিয়হ আদি শস্য ব্যক্তিগতভাৱে চিন ৰাখি সিঁচি দিয়ে আৰু সেই শস্য আনি গাঁৱৰ এঘৰত থয়। পূজাৰ দিনালৈ মাহ, সৰিয়হ আদিৰ গজালিবোৰ কেই আঙুলমান বাঢ়িবলৈ ধৰে আৰু ইয়াকো ঝাৱা ধৰা বুলি কোৱা হয়। ঝাৱা ধৰা বুলি কোৱা হয়। ঝাৱা ধৰা দিনৰে পৰা পূজাৰ দিনলৈ গৃহস্থৰ ঘৰত প্ৰতিদিনে সন্ধিয়া চাকি-বন্তি জ্বলাই নৃত্য গীতৰ আয়োজন কৰি ঝাৱা ধৰাৰ নিয়ম। আনহাতে ঝাৱা ধৰা দিনৰে পৰা পূজাৰ দিনলৈ কোনেও হাই-কাজিয়া বা কোনো গণ্ডগোল কৰিব নাপায়। তেনে কৰিলে কৰম দেৱতা বিতুষ্ট হ'ব পাৰে বুলি আশংকা কৰা হয়।

পূজাৰ বাবে সাধাৰণতে কৰম গছৰ ডাল কাটি আনি মাটিত পুতি ঘৰুৱা থানত পূৰ্বপুৰুষক সুঁৱৰি পূজা পাতে। অৱশ্যে আজিকালি ইয়াৰ বাহিৰেও কদম গছ, বৰ গছ, বাঁহ গছ, কুঁহিয়াৰ আদি পুতিও পূজা কৰা হয়। ডাল পুতি পূজা কৰাসকলক 'ডাল কৰম' আৰু বাঁহ ফালি ফুলবাৰী কৰা কৰমক 'ফুল কৰম' বুলি কোৱা হয়।



কৰমতীসকলে সিদিনাই চোতালত কৰম বেদী স্থাপন কৰি তাত ফুল-পুষ্পৰে সজাই তুলি যথা নিয়মে ধূপ-দীপ জ্বলাই আৰতি বা চুমান কৰি ঝাৱা অৰ্পণ কৰাৰ লগতে নানান উপচাৰ দি আগবঢ়োৱা হয়। সন্ধিয়া ভগাৰ লগে লগে উপবাসে থকা কৰমতীসকলে বেদীৰ কাষত বৃত্তাকাৰে বহি লোকাচাৰ অনুসাৰে কহনী বুঢ়া (পুৰোহিত)ই কোৱা কৰম পূজাৰ প্ৰৱৰ্তক কৰমা আৰু ধৰমাৰ কাহিনী শুনে। তাৰ পিচত নৃত্য-গীত আৰম্ভ হয়। ঝুমুৰ আদি নৃত্য-গীতেৰে ডেকা-গাভৰুসকলে গোটেই নিশা প্ৰাণৰ আৱেগ প্ৰকাশ কৰে। ঝুমুৰ নৃত্য-গীতসমূহৰ মাজেৰে ডেকা-গাভৰুসকলে যেন প্ৰকাশ কৰে সামাজিক আৰু ব্যক্তিগত জীৱনৰ সুখ-দুখ, হা-হুমুনিয়াহ, বিৰহ-বেদনা আদি।

গোটেই নিশা পূজা চলাৰ পিচত পিচদিনা সূৰ্য্যোদয়ৰ লগে লগে কৰম ডালটো উভালি আনি ঢোল-মাদকৰ ছেৱে ছেৱে নৃত্য গীতৰ মাজেৰে কৰমতীসকলে নাচি-বাগি নৈ বা পুখুৰীৰ পাৰলৈ গৈ সেইটো উটুৱাই দিয়ে। সেইদিনাই গধূলি বা আঠদিনৰ দিনা কৰমতীসকলে 'গাডা ভোতা' পাতে। সময়ৰ লগে লগে বিভিন্ন কাৰণত অৱশ্যে পৰম্পৰাগত নিয়মৰ কিছু সাল-সলনি হোৱাও দেখা যায়। মূলত: কৃষিভিত্তিক এই কৰম পূজা চাহ বনুৱা সমাজৰ পূজা-পাৰ্বণসমূহৰ ভিতৰত আটাইতকৈ আড়ম্বৰপূৰ্ণ, উৎসাহ ভৰা আৰু গুৰুত্বপূৰ্ণ উৎসৱ বা পৰ্ব বুলি গণ্য কৰা হয়।

## জানানে?

প:ৰাগ বা নৰা - ছিগা বিহু কোনটো জনগোষ্ঠীয়ে পালন কৰে?

উ: মিচিং জনগোষ্ঠী।

ফাৰকান্তি কোনটো জনগোষ্ঠীৰ শ্ৰাদ্ধানুষ্ঠান?

উ: ৰাভা জনগোষ্ঠী।

ছাগ্ৰামিছাৱা কোনটো জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ?

উ: তিৱা জনগোষ্ঠী।

গাৰো জনগোষ্ঠীৰ এটা কৃষিভিত্তিক উৎসৱৰ নাম কি?

উ: ওৱানগালা ।

# মৰাণসকলৰ ব'হাগ বিহু এটি পৰিচয়মূলক আলোচনা

**জেছমিনা য়াছমিন**
**স্নাতক পঞ্চম ষান্মাসিক**



মৰাণ সকলৰ কাৰণে ব'হাগ বিহু আদৰৰ বিশেষ প্ৰাধান্য থকা কৃষিমূলীয় লোক উৎসৱ। প্ৰত্যেক জনগোষ্ঠীয়ে ব'হাগ বিহু নিজৰ নিজৰ গোষ্ঠীগত সুকীয়া সুকীয়া পৰম্পৰাগত বৈশিষ্ট্যৰে পালন কৰাৰ দৰেই লমৰাণসকলেও কিছুমান স্বকীয় বৈশিষ্ট্যৰে অতীতৰে পৰা ব'হাগ বিহু পালন কৰি আহিছে। অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াটোত অনবদ্য অৱদান আগবঢ়োৱা ভালেমান জনগোষ্ঠীৰ দৰেই মৰাণসকলেও ব'হাগৰ পহিলা তাৰিখত বিহু পালন নকৰে। মংগলবাৰে উৰুকা, বুধবাৰে গৰু বিহু, বৃহস্পতিবাৰৰ পৰা মানুহ বিহু ৰূপত বিহু অতীতৰে পৰা পালন কৰি আহিছে। মৰাণসকলে উৰুকাৰ দিনা অৰ্থাৎ মংগলবাৰে মাটি নাখান্দে, সেয়ে মাটি খন্দা প্ৰয়োজনীয় সকলোখিনি কাম সোমবাৰে বা তাৰ আগতেই কৰি থৈ দিয়ে। উৰুকাৰ দিনা বুধবাৰে গৰুৰ গা ধুৱাবলৈ যাৱতীয়া সকলোধৰণৰ সামগ্ৰী যেনে - মাখিয়তী, দীঘলতী,তৰাগছ আদিৰ উপৰি বেঙেনা, থেকেৰা,হালধি আদি জা-যোগাৰ কৰি লয়। নিশাৰ ভাগলৈ 'চাট' সাজে। পিছদিনা পুৱাই এটা টোপধ্বনিৰে আগজাননী দিয়াৰ লগে লগে গৰুবোৰে দীঘলতী - মাখিয়তী আদিৰে কোবাই মাখি খেদি ন-পানী থকা পথাৰ অথবা জান-জুৰিলৈ লৈ যায়। গৰু গা ধুওৱাৰ আগে আগে আৰু এটা টোপধ্বনিৰে জাননী দিয়াৰ লগে লগে গৰুৰ গা ধুৱায়। চাটৰ পৰা গৰুৰ গালৈ লাও-বেঙেনা আদি উলিয়াই লাও খা, বেঙেনা খা বুলি কৈ দলিয়াই আৰু সৰ্বশেষত মাৰ সৰু বাপেৰ সৰু তই হবি বৰ গৰু বুলি কৈ গৰু গা ধুওৱা অনুষ্ঠানটো সামৰণি মাৰে।

দ্বিতীয় দিনা বৃহস্পতিবাৰে মানুহ বিহু। প্ৰথম মানুহ বিহু দিনাখন ঘৰৰ মানুহ বিশেষকৈ ঘৰখনৰ মুৰব্বীজন কলৈকো নাযায়। মৰাণ সকলে বিশ্বাস কৰে যে সেইদিনা ঘৰৰ মানুহ ঘৰত পাব লাগে। দ্বিতীয় দিনাই কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই সন্মান যাচে। শুক্ৰবাৰৰ দিনা জী-জোঁৱাইসকলে শাহু-শহুৰেকৰ ঘৰলৈ গৈ বছৰটোৰ বিহুৰ সেৱা সন্মান কৰে। সেয়ে এই দিনটোক 'আলহী যোৱা' বুলিও কয়। এই শুক্ৰ বাৰ ৰ পৰাই মৰানসকলৰ বিহু পকী উঠে। শনিবাৰে ভকতসকলে নামঘৰত কীৰ্তন কৰি ধৰ্মগুৰুলৈ মাননি আগবঢ়ায় আৰু দেওবাৰে নামলৈ মাননি আগবঢ়ায়।
মৰাণ ডেকা-গাভৰুসকলে মুকলি পথাৰতহে বিহু পাতে। বিহু পাতিবলগীয়া ঠাইখনত ডেকা -গাভৰুসকলে শ্ৰমদান কৰি এটা "বিহু ঘৰ" সাজি লয়। এই ঘৰটোত দুটা ভাগ থাকে। এভাগত ডেকাসকলে আৰু আনভাগত গাভৰু সকলে বেলেগে বেলেগে ৰাতি বিহু মাৰে। বিহুত কিছু সময় হুঁচৰি গোৱাৰ দৰে চক্ৰাকাৰে ঘূৰি ঘূৰি ঘোষা গোৱা হয়। বিহুত অংশ্ৰগ্ৰহণ কৰা গাভৰুসকলে কাণত কেৰু, ডিঙিত মাদুলি, হাতত গামখাৰো আদি আ-অলংকাৰ, মুগা বা পাটৰ মেখেলা,' কলিয়া ৰিহা' পৰিধান কৰে।



কলিয়া ৰিহা মৰাণ সকলৰ স্বকীয় বৈশিষ্ট্যৰে মহিমামণ্ডিত সাজ। বিহু ঘৰত বিহু গাবলৈ যাওঁতে ডেকাসকলে চুৰিয়া আৰু গাত এঙাৰ চোলা পিন্ধে। আবেলি হোৱাৰে পৰা এখন গাঁৱৰ ডেকাসকলে আন এখন গাঁৱৰ বিহু বিহু খেলা লৈ গৈ নাচনিক নচুৱায়। নিজৰ গাঁৱৰ ডেকাই, নিজৰ গাঁৱৰ ছোৱালীক সাধাৰণতে ননচুৱায়। কাৰণ নিজৰ গাঁৱৰ মাজত তেজ- মঙহৰ সম্বন্ধ থকা ছোৱালী থাকিব পাৰে। আন গাৱঁৰ বিহুৱা ডেকা বিহু খেলালৈ আহিলে গাভৰুসকলে নিজৰ হাতৰ টকা ডেকাসকলক দি বিহুগীত গাবৰ বাবে আহ্বান জনায় নিজেও নাচে। এইদৰে গধূলিলৈকে নাচি বাগি পাৰ কৰি কটায়।

বিহু সামৰণি মৰাৰ দিনটোক 'বিহু উৰুৱা'বুলি কয়। বিহু উৰুৱা দিনটো ডেকা গাভৰুসকলৰ বাবে আনন্দ মিশ্ৰিত বেজাৰৰ দিন। সেয়ে গায় - "হাঁচতি ঐ ধান খোৱা চৰাই অতি চেনেহৰে ব'হাগৰ বিহুতি হাততে মলঙি যায়।"
"হাঁচতি ঐ সাপৰ কলপ বিহু থৈ আহোঁগৈ নামঘৰৰ তলত।

## জানানে?

জোনবিল মেলা পৰম্পৰাগতভাৱে কোনটো সম্প্ৰদায়ৰ সৈতে জড়িত?
উ: তিৱা জনগোষ্ঠী
মিচিং জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱটোৰ নাম কি?
উ: আলি: আয়ে লিগাং
খেৰাই উৎসৱ কোনটো জনগোষ্ঠীৰ?
উ: বৰো জনগোষ্ঠী।
চমাংকান কোনটো জনগোষ্ঠীৰ লোক উৎসৱ?
উ: কাৰ্বি জনগোষ্ঠী।

# কাৰ্বি জনগোষ্ঠীৰ "চমাংকান " এক পৰ্যালোচনা

ছানিডুল ইছলাম,
স্নাতক পঞ্চম ষান্মাসিক




চমাংকান (ইংৰাজী: Chomangkan) কাৰ্বি জনগোষ্ঠীৰ এক পৰম্পৰাগত উৎসৱ। ভূত-প্ৰেত আদি দেৱতাৰূপী শিৰ বা বুঢ়াগোসাঁইৰ ভক্তিত মজি থকা কাৰ্বিসকলৰ চমাংকান হ'ল মৃতকৰ উৎসৱ। মৃতকৰ আত্মাৰ শান্তি কামনা কৰি এই উৎসৱ পতা হয়। কাৰ্বি বিশ্বাস অনুসৰি চমাংকান অবিহনে মৃতকৰ আত্মাই সম্পূৰ্ণৰূপে পাপ-তাপ, দুখ-ক্লেশ আদিৰপৰা পৰিত্ৰাণ নাপায়। সাধাৰণতে তিনিদিনীয়াকৈ এই অনুষ্ঠান পতা হয়। চমাংকান এটা খৰচী অনুষ্ঠান, সেয়ে সকলো গৃহস্থই চমাংকান পাতিব নোৱাৰে। সেয়েহে বহুকেইজন মৃতকৰ বাবে একেলগেও চমাংকান পতা হয়। চমাংকান এটা খাছি নৃত্য। অতীজৰে পৰা খাছি আৰু জয়ন্তীয়াসকলৰ মাজত থকা বাবে কাৰ্বিসকলৰ সাজ-পাৰ, নৃত্য-গীত আদিত খাছি আৰু জয়ন্তীয়াসকলৰ প্ৰভাৱ বিদ্যমান। কিছুমান পণ্ডিতৰ মতে প্ৰথমে এই উৎসৱৰ নাম আৰ্লেং কাৰ্হি আছিল আৰু পিছলৈ খাছি সকলৰ প্ৰভাৱত চমাংকান হ'ল। চমাংকান শব্দটোৰ আক্ষৰিক অৰ্থ হল খাচী নৃত্য। কাৰ্বি ভাষাত "চমাং"ৰ অৰ্থ খাচী আৰু কান মানে নৃত্য। কিন্তু উল্লেখযোগ্য কথা হল চমাংকান নামৰ কোনো নৃত্যৰ প্ৰচলন খাচীসকলৰ মাজত দেখা পোৱা নাযায়। চমাংকান শব্দটোৰ বুৎপত্তি বিষয়ক বিভিন্ন ব্যাখ্যা কাৰবিসকলৰ মাজত পোৱা যায়। এটা ব্যাখ্যা অনুযায়ী কাৰ্বি ভাষাত চমাং মানে যম বা খাছি আৰু কান বা কেনান মানে উৎসৱ বা নাচ। সেই অৰ্থত যম বা মৃতলোকৰ উৎসৱ অথবা খাছীসকলৰ মাজত প্ৰচলিত নৃত্য-গীত এই অৰ্থহে চমাংকানৰ সৈতে খাপ খায়। কাৰিবসকলৰ চমাংকান উৎসৱত ডেকা-গাভৰুৱে নচা নিমছ'কেৰুং নাচৰ সৈতে খাছীসকলৰ নংক্ৰেম নাচ আৰু এই চমাংকান উৎসৱতে ঢাল-তৰোৱাল লৈ নচা চমছিনাং ৰণ নৃত্যৰ সৈতে খাছীসকলৰ আন এটা ৰণনৃত্য পাছতিয়েচ বা মাছতিয়েচৰ বিশেষ মিল আছে, কাৰ্বি সমাজত কোনো ব্যক্তিৰ মৃত্যু ঘটিলে তেওঁলোকো মৃতদেহটো তেওঁৰ আত্মীয়সকল আহি নোপোৱালৈকে ৰাখি থয়। আত্মীয়সকল অহাৰ পিছত আনুষ্ঠানিকতা ৰক্ষা কৰি শৱ সংকাৰ কৰা হয় আৰু হাড়বোৰ পুতি থোৱা হয়। তাৰ পিছত চমাংকান পতা বাধ্যতামূলক। এই অনুষ্ঠান পতাৰ নিৰ্দিষ্ট কোনো দিন বাৰ নাই যদিও কোনো "শুভ অনুষ্ঠান দেহাল বা ৰংকেৰ পূজাভাগ আৰু লখিমীপূজা হাচাকিকান পাতি উঠাৰ পাছতহে সাধাৰণতে 'চ'মাংকান' পতা হয়।

চমাংকান উৎসৱত দুগৰাকী ব্যক্তিয়ে মুখ্য ভূমিকা পালন কৰে। উছেপি এগৰাকী বয়সীয়া কাৰ্বি মহিলা। তেওঁ এগৰাকী পেছাদাৰী কান্দনী। তেওঁ চমাংকানত সুৰ লগাই শোক গীতসমূহ গায়। দুইহুদিয়ে চমাংকানৰ ৰীতি-নীতৰ পৰ্যায় ৰক্ষা কৰে। লগতে তেওঁ চমাংকানৰ বাদ্য সম্পৰ্কে চোৱা-চিতা কৰে। গাঁৱৰ সীমাৰ বাহিৰত সাধাৰণতে চমাংকান উৎসৱ পতা হয়। এই উদ্দেশ্যে এটা বৰ্গ আকৃতিৰ পুখুৰী খন্দা হয়। ইয়াৰ চাৰিওফালে চাৰিডাল জাম্বিলী আথন পোতা হয়। চমাংকানৰ নৈবেদ্য ৰখা শিলৰ কাষত আন এটা জাম্বেল্লি আথান পোতা হয়। ইয়াৰ বাহিৰেও আন এটা বাঁহৰ খুটা ধুনীয়াকৈ সজাই কাউৰী মণি ওলমাই দিয়া হয়। মৃতকৰ প্ৰতীক হিচাপে খেৰৰ প্ৰতিকৃতি এটা চমাংকানৰ চতুৰ্থ দিনা জ্বলাই দিয়া হয়। পিছ দিনা পুৱা গৃহস্থৰ চোতালত কাৰ্বি সৃষ্টি তত্ত্ব গোৱা হয়। চমাংকান তিনি প্ৰকাৰৰ। বৈষয়িক অৱস্থা অনুসৰি 'চ'মাংকান' তিনি প্ৰকাৰে পতা হয়:
সাধাৰণ পৰ্যায়: কান ফ্লাক্লাং
মধ্যম পৰ্যায়: লাংটুক আৰু
উচ্চ পৰ্যায়: হাৰ্ণে



# সোণোৱাল কছাৰীসকলৰ " বহুৱা নৃত্য" এটি আলোচনা

মেহনুৰ পাৰবিন
স্নাতক পঞ্চম ষান্মাসিক



সোণোৱাল কছাৰীসকলে বৰ উৎসাহ আৰু উদ্দীপনাৰে তেওঁলোকৰ স্বকীয় জাতীয় উৎসৱ উদযাপন কৰে। অনান্য অসমীয়া সমাজৰ দৰেই সোণোৱাল কছাৰীসকলৰো বিহু কেইটাই তেওঁলোকৰ জাতীয় উৎসৱ। বহাগ বা ৰঙালী বিহু, মাঘ বা ভোগালী বিহু আৰু কাতি বা কঙালী বিহু সোণোৱাল কছাৰীসকলে বৰ ৰং-ৰহস্য আৰু উল্লাহেৰে পালন কৰে। উৎসৱ, বিয়া, শস্য চপোৱা আদি যিকোনো আনন্দৰ মুহূৰ্তত সোণোৱাল কছাৰী সকলে নাচি-বাগি আনন্দত মতলীয়া হৈ পৰে।

**বহুৱা নাচ:**

বহুৱা নাচ অসমৰ সোণোৱাল কছাৰীসকলৰ এক ধৰ্মীয় অনুষ্ঠান। সোণোৱাল কছাৰীসকলৰ কলা-কৃষ্টীৰ এক প্ৰকাশ হ'ল এই বহুৱা নাচ। ডিব্ৰুগড় জিলাৰ বৃহৎ জামিৰা অঞ্চলৰ ধমল গাঁৱত বসবাস কৰা সোণোৱাল কছাৰীসকলৰ মাজত অতীজৰে পৰা বহুৱা নাচ প্ৰচলন হৈ আহিছে। প্ৰতি দুবছৰৰ অন্তত তেওঁলোকে এই নাচৰ আয়োজন কৰে। এই নৃত্যৰ আৰম্ভণি কেতিয়া হৈছিল সেইকথা তেওঁলোকে ক'ব নোৱাৰে কিন্তু তেওঁলোকৰ আজোককাকৰ দিনৰ পৰাই প্ৰচলিত আছিল বুলি বিশ্বাস কৰে। এই নাচ প্ৰদৰ্শন কৰোঁতে শিল্পীসকলে মুখা আৰু দেহটো কলপাতেৰে মেৰিয়াই লয়। এই নাচৰ প্ৰস্তুতিপৰ্বত শিল্পীসকলৰ সাজ-সজ্জা কৰা হয় এখন আওহতীয়া হাবিত। তাত কেৱল বয়সস্থ লোকৰহে প্ৰৱেশ অনুমতি থাকে। বহুৱা নাচত অভিনয় কৰা শিল্পীসকলৰ পৰিচয়ো অতি গোপনে ৰখা হয়। একোজন বহুৱাক সাজ-সজ্জাৰে তৈয়াৰ কৰিবলৈ প্ৰায় ৩-৪ ঘণ্টা সময় লাগে। হাবিৰপৰা ওলোৱা বহুৱাই মুকলি মঞ্চত প্ৰৱেশ কৰাৰ সময়ত শিল্পীসকলৰ আগত এখন ৰঙা আঁৰ কাপোৰ টানি দিয়া হয়। এই ৰঙা কাপোৰখনক সোণোৱাল কছাৰীসকলে ধ্বংস আৰু সৃষ্টিৰ ঐশ্বৰিক লীলাৰ প্ৰতীক বুলি জ্ঞান কৰে। বহুৱা নাচত বাদ্যযন্ত্ৰ হিচাপে মেদং (সোণোৱাল কছাৰীসকলে মৃদংগক মেদং বোলে) আৰু তাল ব্যৱহাৰ কৰা হয়। মেদঙৰ তালে তালে গায়ন-বায়ন, বহুৱা, ভূত-প্ৰেত সকলোৱে একেলগে নাচে। বহুৱা দলৰ পিছতে এটা বিহুৱা দলেও মুকলি মঞ্চত বিহু নাচ প্ৰদৰ্শন কৰে। এই নাচ শেষ হোৱাৰ পিছত সকলো ভাৰবীয়াই গা-পা ধুই গাঁৱৰ এঘৰত একেলগে ভোজ-ভাত খায়।

# আলোকচিত্ৰ




অধ্যক্ষ মহোদয়ৰ সৈতে



সম্প্ৰসাৰিত কাৰ্যকলাপ,কে কে পাঠক উচ্চতৰ মাধ্যমিক বিদ্যালয়



বিভাগীয় মিউজিয়াম



অসমীয়া বিভাগৰ দ্বাৰা আয়োজিত কবিতা আবৃত্তি প্ৰতিযোগিতা




শিক্ষামূলক ভ্ৰমণ, কাকইজানা, বঙাইগাঁও



আৰ্ট এণ্ড ক্ৰাফট কৰ্মশালা





ষষ্ঠ ষান্মাসিক (২০২৩ বৰ্ষ) ছাত্ৰ- ছাত্ৰী সকলৰ সৈতে



প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৰোহ



শিক্ষক দিৱসত ছাত্ৰ - ছাত্ৰী সকলৰ সৈতে




বিভাগৰ অধ্যাপিকা সকলৰ দ্বাৰা ৰচিত গ্ৰন্থ




বিভাগৰ হাতে লিখা আলোচনী



বিভাগৰ প্ৰাচীৰ পত্ৰিকা



গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপকসকল আমাৰ বিভাগত